

# বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতিকবিতাত প্ৰকৃতি চিত্ৰণ

ড° ৰঞ্জনা ভট্টাচাৰ্য

বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতিকবিতাসমূহৰ অন্তৰ্নিহিত ভাব এখন শোষণ-শাসনহীন সমতাৰ সমাজ প্ৰতিষ্ঠা কৰা। যদিও হাড়ে-হিমজুৰে এগৰাকী বিপ্লৱী কবি, বিষ্ণু ৰাভাদেৱ প্ৰকৃতিৰ প্ৰতিও অনুৰক্ত আছিল আৰু তেখেতৰ গীতিকবিতাসমূহত প্ৰকৃতিয়ে মুখ্য নহ'লেও গৌণভাৱে ভুমুকি মাৰিছিল। বিষ্ণু ৰাভাৰ প্ৰকৃতি চেতনা মানৱকেন্দ্ৰিক নৈতিকতাৰ সৈতে সংযোজিত হৈছে। মানৱতাবাদী দৰ্শনৰ পটভূমিত ৰচিত তেখেতৰ সাহিত্যৰাজিক প্ৰকৃতিৰ উপস্থিতিয়ে অধিক অন্তৰ্স্পৰ্শী আৰু আবেদনশীল কৰি তুলিছে। গীত-নাটক-কথা—এই সকলোতে ৰাভাদেৱে মানৱ প্ৰেমৰ প্ৰচাৰ আৰু প্ৰসাৰক মূল লক্ষ্য হিচাপে লৈ প্ৰাকৃতিক উপাদানৰ উদ্ধৃতিৰে অধিক মনোগ্ৰাহী আৰু সুকোমল অনুভূতিশীল কৰি তুলিবলৈ সক্ষম হৈছে। বিষ্ণু ৰাভা প্ৰকৃতিৰ একান্ত পূজাৰী নহয়। অশান্ত হৃদয়ৰ খানিকমান জুৰণিৰ বাবে প্ৰকৃতিৰ বুকুলৈ ধাৱমান হোৱা নাই। জীৱনৰ সমস্ত সৃষ্টিশীল সময় তেখেতে মানুহৰ মুকুতিৰ গান গাইছে, সমাজ পৰিৱৰ্তনৰ স্বপ্ন দেখিছে, ধনী-অহংকাৰী, গৰ্বীজনৰ মইৰৰ ভাব তচনচ কৰাৰ সংকল্প কৰিছে। তেজৰ বোলেৰে দীন সমাজৰ ইতিহাস লিখিবলৈ সংকল্প লৈছে। তাৰ মাজতো ছেগা-চোৰোকাকৈ তেখেতে প্ৰকৃতিৰ নানা ৰূপ-সম্ভাৰ সৃষ্টিৰ মাজলৈ টানি আনিছে।

মানুহক লৈ কবিতা লিখা মানুহজনে সৃষ্টিশীলতাৰ একাকী মুহূৰ্তত বিলৰ পানীৰ ৰূপ-সৌন্দৰ্যৰ বৰ্ণনা কৰি লিখিছে—

বিলতে হালিছে ধুনীয়া পদুমী  
ফুলনিত ফুলিছে ফুল  
সেই ফুলে ফুলে পখিলা উৰিছে  
সানিছে ৰেণুৰে বোল।

এই কালজয়ী গীতিকবিতাটোত সহজ-সৰল শব্দ চয়নেৰে পদুম প্ৰস্ফুটিত বিলৰ পাৰৰ অপৰূপ দৃশ্য অতি নিখুঁত আৰু সূক্ষ্মভাৱে অংকিত হৈছে।

এটি নিৰ্মল ৰাতিপুৱাৰ মধুৰ ৰূপ চিত্ৰিত কৰা গীতিকবিতাত বিষ্ণু ৰাভাই লিখিছে—

কুৰুৱা বতাহে  
অ' জোৰকৈ বলিলে অ'  
চিঞৰি মাতিলে  
ঐ ঊষা ঊষা ঊষা  
................  
বৰনৈৰ বালিতে  
চৰাই উলাহতে  
উমলি জামলি  
জোকাৰি উৰুলি  
নামকে জুৰিলে অ'  
ঐ ঊষা ঊষা ঊষা

ব্ৰহ্মপুত্ৰৰ বুকুৰ পালতৰা নাৱৰ আকৰ্ষণীয় পৰিৱেশৰ ৰূপ বৰ্ণনাৰে বিষ্ণু ৰাভাই গীত লিখিছে—

উটি যা উটি যা  
উটি যা ৰূপালী নাও  
উটি যা উটি যা  
ৰূপালী নাও  
জুৰকৈ বা জুৰকৈ বা  
অ' মোৰ পছোৱা  
মলয়া বা  
দেখি তোৰ শুকুলা পাল  
হিয়া মোৰ মাৰে নিটাল

প্ৰৱহমান লুইতৰ বুকুৰ পালতৰা নাৱৰ অপৰূপ সৌন্দৰ্যই কবি মনক বিস্ময়াভিভূত কৰাৰ কথাও প্ৰকাশ কৰিছে যথাৰ্থ শব্দ চয়নেৰে।

সহজ-সৰল কবি মনে হৃদয়ত সংগোপনে কঢ়িয়াই ফুৰে এৰি অহা শৈশৱক। সৃষ্টিৰ নিৰল মুহূৰ্তত সেই শৈশৱ উজাই আহে। বিষ্ণু ৰাভাৰো একেই অভিজ্ঞতা হৈছে। তেনে এটি বিৰল ক্ষণত শিশুৰ দৃষ্টিৰে জোনবাইক লৈ গীতিকবিতা ৰচনা কৰি অসামান্য প্ৰতিভাৰ পৰিচয় দিছে—

জোনবাই এ  
এটি তৰা দিয়া  
পাত নাই চোত নাই  
কিহতকৈ দিম  
............  
ৰূপহী জোনবাই ৰূপালী চেলেং  
মেলি দে অ' মেলি দে  
ফুটুকা ফুটুকী তৰাফুলে বাছি  
মেলি দে অ' তুলি দে  
বিলৰে মাজতে ৰূপোৱালী ঢৌ  
নাচে যে ফুলপাহি হালি জালি সৌ  
জোনালী কিৰণে আহি তাইৰ ওৰণি গুচালে অ' গুচালে।

নৈসৰ্গিক পৰিৱেশত লালিত-পালিত মানুহৰ জীৱনে তেখেতক আকৰ্ষণ কৰে। কৃত্ৰিম কলুষতাই স্পৰ্শ নকৰা পাহাৰীয়া ছোৱালীজনীক লৈ বিষ্ণুপ্ৰসাদ ৰাভাই সৃষ্টি কৰিছে এই সুন্দৰ গীতিকবিতাটি—

টিলাই টিলাই  
উৰি ফুৰে  
ঘূৰি ফুৰে  
খামটি ছোৱালী  
.............  
বনৰে বনৰীয়া  
দেখাতে  
ধুনীয়া দেখি  
থমকি থমকি নাচে তাই  
টিঙতে উজলি...।

উল্লিখিত গীতিকবিতাসমূহত বিষ্ণু ৰাভাৰ চেতনাত নিমজ্জিত প্ৰকৃতিপ্ৰীতিৰ উমান পোৱা যায়। আনহাতে প্ৰতিবাদী বিপ্লৱী কবিজন দুৰ্দান্ত প্ৰেমিক হৈ উঠাৰ সময়ত ৰচনা কৰিছে—

নাহৰ ফুলে নুশুৱায়  
তগৰ ফুলে শুৱাব  
তগৰ ফুলে নুশুৱায়  
কপৌ ফুলে শুৱাব  
কপৌ ফুলে নুশুৱায়  
যদি সাতসৰীতে তোৰ  
মেঘৰ বুকু ফালি আনিম  
বিজুলী ফুলকোঁৱৰ

বিজুলী পোহৰৰ উৎস। এনে পোহৰৰ ফুলেৰে কবিয়ে প্ৰেয়সীক সজোৱাৰ সপোন দেখিছে। প্ৰেম-পোহৰৰ প্ৰতিজ্ঞাৰে কবিয়ে প্ৰিয়তমাক ওপচাই দিছে। এনে প্ৰতিজ্ঞা-প্ৰতিশ্ৰুতিয়ে কবিক এনে বিনয়ী প্ৰেমিক সত্তা আৰু জীৱন বিলাসী পুৰুষ হিচাপেও পৰিচিত কৰিছে।

আকৌ নৈৰাশ্যৰ ক'লীয়া ডাৱৰ ফালি গভীৰ আশাবাদে ভুমুকি মৰাৰ ক্ষণত কবি বিষ্ণু ৰাভাই লিখিছে—

মোৰ জীৱনৰ আকাশতে  
ইন্দ্ৰধনু গঢ়িম  
সাত ৰঙেৰে মিনা কৰাই  
যতনেৰে ৰাখিম